**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-10-2024
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

---

ৰাজ্যৰ ৫টা সমষ্টিত উপ নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ লগে লগে সমষ্টিকেইটাত বিজেপি, কংগ্ৰেছ, অগপ, এ আই ইউ ডি এফ, তৃণমূল কংগ্ৰেছ, বিপিএফ, ইউ পি পি এলকে ধৰি বিভিন্ন ৰাজনৈতিক দলসমূহৰ তৎপৰতা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। ধলাই, চিদলী, বঙাইগাঁও, বিহালী আৰু চামগুৰি সমষ্টিত খালী হোৱা বিধানসভাৰ আসন ৫ খনৰ বাবে অহা ১৩ নৱেম্বৰত উপ নিৰ্বাচন অনুষ্ঠিত হ'ব। সকলো ৰাজনৈতিক দলে নিজ নিজ দলৰ হৈ নিৰ্বাচনৰ প্ৰস্তুতি আৰম্ভ কৰিছে।

ইপিনে ৰাজ্য চৰকাৰৰ মন্ত্ৰী তথা অসম গণ পৰিষদৰ দলৰ সভাপতি অতুল বৰাই আগন্তুক উপ নিৰ্বাচনত বঙাইগাঁও সমষ্টিৰ পৰা মিত্ৰজোঁটৰ সমৰ্থিত অগপৰ প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব বুলি প্ৰকাশ কৰিছে। নেতাগৰাকীয়ে এই সন্দৰ্ভত কালি বঙাইগাঁৱত এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। আনহাতে চিদলী বিধানসভা সমষ্টিত মিত্ৰজোঁটৰ সমৰ্থিত ইউ পি পি এলৰ প্ৰাৰ্থীগৰাকীলৈ অগপ দলে পূৰ্ণ সমৰ্থন আগবঢ়াব বুলিও শ্ৰী বৰাই জানিবলৈ দিছে।

অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি ভূপেন বৰাই কালি এখন সংবাদমেল আয়োজন কৰি ৰাজ্যবাসীয়ে সন্মুখীন হোৱা বিভিন্ন সমস্যাক আগত লৈ উপ নিৰ্বাচনত ৰাইজৰ কাষ চাপিব বুলি প্ৰকাশ কৰে।

০০০০০০

আজি কাতি বিহু। পথাৰৰ লখিমীক আদৰাৰ পূৰ্বে খেতি পথাৰত চাকি, আকাশবন্তি জ্বলাই কৃষিজীৱী ৰাইজে আশীৰ্বাদ গ্ৰহণ কৰিব। আহিন আৰু কাতিৰ দোমাহীৰ দিনা কাতি বিহু পালন কৰি কৃষকসকলে শস্য শ্যামলা পথাৰৰ আশাৰে প্ৰাৰ্থনা জনায়। ৰাজ্যৰ বিভিন্ন প্ৰান্তত কাতি বিহু পালনৰ প্ৰস্তুতি চলিছে। কাতি বিহু উপলক্ষে তুলসীৰ তলত বন্তি জ্বলোৱাৰ লগতে ভঁৰালঘৰ, গোহালি, পদূলি আদিত চাকি বন্তি জ্বলাই কৃষিজীৱী ৰাইজে মংগল কামনা কৰিব। ৰাজ্য চৰকাৰৰ নিৰ্দেশমৰ্মে আজি কৃষি বিভাগৰ উদ্যোগত ৰাজ্যৰ মহকুমাসমূহত কাতি বিহু পালন কৰা হ'ব। ইয়াৰ লগতে বিভাগীয় আঁচনিসমূহৰ বিষয়ে সজাগতা বৃদ্ধিৰ উদ্দেশে সজাগতা সভাৰো আয়োজন কৰা হৈছে। তদুপৰি কৃষি বিভাগে তুলসী তলত বন্তি প্ৰজ্বলন আৰু শৰাই দিয়াৰ লগতে পথাৰত আকাশবন্তি প্ৰজ্বলনৰ কাৰ্যসূচীও গ্ৰহণ কৰিছে।

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কাতি বিহু উপলক্ষে ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বিবৃতিযোগে শ্ৰী আচাৰ্যই কয় যে, যিহেতু অসমৰ এটা কৃষি সংস্কৃতি আছে আৰু ৰাজ্যখনৰ বৃহৎ সংখ্যক জনসাধাৰণ কৃষিৰ ওপৰত নিৰ্ভৰশীল, সেয়েহে কাতি বিহুৰ গুৰুত্ব অপৰিসীম। এই বিহুত তুলসীৰ তলত জ্বলোৱা মাটিৰ চাকিয়ে তুলসীৰ সৈতে আমাৰ অন্তৰ্নিহিত সম্পৰ্ক পুনৰাবৃত্তি কৰে। অসমীয়া সমাজৰ চহকী সংস্কৃতিক আগুৱাই নিয়াৰ বাবে তেওঁ সকলোকে বিহু উদযাপন কৰিবলৈ আহ্বান জনায়।

ইপিনে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কাতি বিহু উপলক্ষে শস্য শ্যামলা পথাৰত কৃষকৰ সপোন উজলি উঠাৰ আশাৰে ৰাজ্যবাসীক ওলগ জনাইছে।

০০০০০০

শিৱসাগৰৰ বৰ্ডিং খেলপথাৰত ১০-দিনীয়াকৈ আয়োজিত গ্ৰন্থ উৎসৱৰ আজিৰ কাৰ্যসূচীত ড০ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ কবিতাত অসম প্ৰকৃতি আৰু ঐতিহ্যদ্যুতি শীৰ্ষক বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হৈছে।  আজি দিনৰ ১১ বজাত আয়োজিত এই অনুষ্ঠানত আমগুৰিৰ আউনীআটীয় হেমচন্দ্ৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক ইন্দ্ৰকমল ফুকনে বক্তৃতা আগবঢ়াব। গ্ৰন্থমেলা উপলক্ষে আয়োজিত অনুষ্ঠানৰ অংশ হিচাপে সন্ধিয়া বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে।

আকাশবাণীৰ শিৱসাগৰৰ সংবাদদাতাই জনোৱা মতে যোৱা ১৫ অক্টোবৰত আৰম্ভ হোৱা এই গ্ৰন্থ উৎসৱলৈ ক্ৰেতা তথা পঢ়ুৱৈৰ উৎসাহজনক সঁহাৰি পৰিলক্ষিত হৈছে। প্ৰতিদিনে পুৱা ১০ বজাৰ পৰা নিশা ৯ বজালৈ মুকলি ৰখাৰ ব্যৱস্থা কৰা এই গ্ৰন্থ উৎসৱত ৭০টাৰো অধিক প্ৰকাশন গোষ্ঠী আৰু গ্ৰন্থ বিক্ৰেতা প্ৰতিষ্ঠানে অংশগ্ৰহণ কৰিছে। শিৱসাগৰৰ বেচৰকাৰী সংস্থা খোজৰ উদ্যোগত অনুষ্ঠিত এই গ্ৰন্থ উৎসৱৰ সন্দৰ্ভত বক্তব্য আগবঢ়াইছে সংস্থাটোৰ সম্পাদক জয়জ্যোতি গগৈয়ে।

**ভইচ**

০০০০০০

ৰাজ্য চৰকাৰে অহা ৩ৰ পৰা ৯ নৱেম্বৰলৈ ভাষা গৌৰৱ সপ্তাহ পালন কৰিব। এই সপ্তাহৰ কাৰ্যসূচী হিচাপে বিশ্ববিদ্যালয়, মহাবিদ্যালয়, বিদ্যালয় আৰু নাগৰিক সমাজৰ সংগঠনসমূহৰ সহায়ত অসমীয়া সাহিত্যিক, পণ্ডিতসকলৰ অৱদানক সন্মান জনোৱা হ'ব।  এই উপলক্ষে কালি অসম হাউছৰ সভাকক্ষত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, ৰাজ্যৰ মুখ্য সচিব, চৰকাৰৰ জ্যেষ্ঠ বিষয়াসকল আৰু জিলাসমূহৰ আয়ুক্তসকলৰ সৈতে ভিডিঅ' কনফাৰেন্সিংযোগে আলোচনাত মিলিত হয়।

০০০০০০

ভাৰত আজি নেপালৰ কাঠমাণ্ডুত অনুষ্ঠিত মহিলাৰ চাফ ফুটবল প্ৰতিযোগিতাৰ নিজৰ প্ৰথমখন খেলত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি বিয়লি ৫ বাজি ১৫ মিনিটত আৰম্ভ হ'ব।

০০০০০০

সমাপ্ত